# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 10-June-2026
**Time :** 2125 HRS

## *Assamese Night Bulletin*

-------------------

০০০০০

নলবাৰী জিলাৰ অভিভাৱক মন্ত্ৰী বিশ্বজিৎ দৈমাৰীয়ে আজি জিলাখনৰ বিভিন্ন বিভাগৰ উন্নয়নমূলক কাম-কাজৰ পৰ্যালোচনা কৰে। নলবাৰীৰ কনভেনচন চেণ্টাৰত এই উপলক্ষে আয়োজিত বৈঠকত অংশ লৈ শ্ৰীদৈমাৰীয়ে বিভিন্ন বিভাগৰ মুৰববীসকলৰ সৈতে জিলাখনৰ উন্নয়নমূলক কাম-কাজৰ শেহতীয়া স্থিতি সন্দৰ্ভত আলোচনা কৰে। তেওঁ জিলাখনৰ বানৰ কবলত পৰা লোকসকলৰ বাবে খাদ্য আৰু বিশুদ্ধ খোৰাপানীৰ ব্যৱস্থা কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। জিলাখনৰ অভিভাৱক মন্ত্ৰী হিচাপে বিভিন্ন ক্ষেত্ৰত থকা সমস্যাসমূহ দূৰ কৰিবলৈ তেওঁ চেষ্টা চলাব বুলি আশ্বাস দিয়ে।

ইপিনে, নৱগঠিত অসম মন্ত্ৰীসভাত পৰিবহন আৰু বড়োলেণ্ড উন্নয়ন বিভাগৰ দায়িত্ব লাভ কৰা চিৰাং জিলাৰ অভিভাৱক মন্ত্ৰী চৰণ বড়োৱে আজি বিয়লি কাজলগাঁৱৰ জিলা আয়ুক্ত কাৰ্যালয়ত এখন পৰ্যালোচনা সভাত অংশ লয়। শ্ৰীবড়োৱে জিলা প্ৰশাসন আৰু বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰী তথা ছিদলী-চিৰাং আৰু বিজনী বিধানসভা সমষ্টিৰ বিধায়ক কেইগৰাকীৰ সৈতে জিলাখনৰ বিভিন্ন দিশ সন্দৰ্ভত আলোচনা কৰে। মন্ত্ৰীগৰাকীয়ে লগতে সম্ভাব্য বান পৰিস্থিতিৰ বাবে জিলা প্ৰশাসন আৰু সংশ্লিষ্ট বিভাগসমূহৰ প্ৰস্তুতিৰো বুজ লয়।

০০০০০

নগাঁও জিলাৰ কলিয়াবৰ সমজিলাৰ অন্তৰ্গত শিলঘাট অঞ্চলত দুটাকৈ বাঘৰ উপস্থিতিয়ে জনসাধাৰণৰ মাজত আতংকৰ সৃষ্টি কৰাৰ বাতৰি পোৱা গৈছে। আমাৰ নগাঁৱৰ সংবাদদাতাই জনোৱা মতে কলিয়াবৰৰ শালনা বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ৰ অধীনৰ শিলঘাটৰ কামাখ্যা সংৰক্ষিত বনাঞ্চলত স্থানীয় লোকে দুটাকৈ ৰয়েল বেংগল টাইগাৰৰ উপস্থিতি প্ৰত্যক্ষ কৰে। জনসাধাৰণৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে কলিয়াবৰ সমজিলা প্ৰশাসনে কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। সেই অনুসৰি শিলঘাটৰ কামাখ্যা মন্দিৰৰ পৰা কামাখ্যা-সোণাৰি গাঁও সংযোগী লোকনিৰ্মাণ বিভাগৰ নতুন পথত যিকোনো লোকৰ চলাচলত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। তদুপৰি কলিয়াবৰ চাহ বাগিছাৰ ২ নম্বৰ বাগান, নগাপথাৰ আদিত বিয়লি ২ বজাৰ পৰা পুৱা ৯ বজালৈ আহ-যান নকৰিবলৈ কোৱা হৈছে। এই সময়ছোৱাত শিলঘাটৰ অসম সমবায় মৰাপাট কলৰ সমীপৰ পৰা ত্ৰিশূলধাৰী মন্দিৰলৈ যোৱা পথতো চলাচলত বাধা আৰোপ কৰা হৈছে। পৰৱৰ্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত এই নিষেধাজ্ঞা বাহাল থাকিব বুলি নিৰ্দেশটোত উল্লেখ কৰা হৈছে।

০০০০০

মৰিগাঁও জিলাৰ ভুৰবন্ধাত সদৌ মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আজি খাদ্য আন্দোলনৰ দুগৰাকী শ্বহীদৰ স্মৃতিত ছাত্ৰ সংহতি দিৱস পালন কৰা হয়। এই কাৰ্যসূচীত ভালেসংখ্যক ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় লোকে অংশগ্ৰহণ কৰে। কাৰ্যসূচীৰ অংশ হিচাপে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, আছুৰ পতাকা উত্তোলন, স্মৃতিচাৰণ সভা, সম্বৰ্ধনা আদি কাৰ্যসূচী অনুষ্ঠিত হয়। উল্লেখযোগ্য যে ১৯৭৪ চনত খাদ্য সংকটৰ পৰা পৰিত্ৰাণ পোৱাৰ বাবে সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত ৰাজ্যজুৰি খাদ্য আন্দোলন আৰম্ভ হৈছিল। মৰিগাঁও জিলাৰ ভুৰবন্ধাৰ ঔগুৰি মাধ্যমিক বিদ্যালয়ৰ কণ কণ ছাত্ৰ গজেন ইংতি আৰু পুতুল শইকীয়াইও এই আন্দোলনত অংশ লৈছিল। কিন্তু আন্দোলনকাৰীক বাধা দিবলৈ আৰক্ষীয়ে নিৰ্বিচাৰ গুলীচালনা কৰাত এই ছাত্ৰ দুগৰাকীৰ মৃত্যু হৈছিল। তেওঁলোকৰ ত্যাগ আৰু সাহসক সুঁৱৰি আজি এই দিৱস পালন কৰা হয়। অনুষ্ঠানত শ্বহীদদ্বয়ৰ পৰিয়ালক সম্বৰ্ধনা জনোৱা হয়।

০০০০০

নগাঁও জিলাৰ আয়ুক্ত দেৱাশীষ শৰ্মাই আজি হাতীমূৰা অঞ্চলৰ ব্ৰহ্মপুত্ৰ নদীৰ খহনীয়া অঞ্চল পৰিদৰ্শন কৰি জলসম্পদ বিভাগে গ্ৰহণ কৰা খহনীয়া প্ৰতিৰোধমূলক কাম-কাজৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। জিলা আয়ুক্তগৰাকীয়ে নগাঁও জলসম্পদ সংমণ্ডলৰ বিষয়াসকলৰ সৈতে খহনীয়া ৰোধ কৰাৰ ক্ষেত্ৰত দেখা দিয়া সমস্যা আৰু ইয়াৰ প্ৰতিকাৰ সন্দৰ্ভত আলোচনা কৰে। তেওঁ লগতে খহনীয়াৰ কবলত পৰা জনবসতি, কৃষিভূমি আৰু ৰাজহুৱা আন্তঃগাঁথনিৰ সুৰক্ষাৰ বুজ লয়। তেওঁ ক্ষতিগ্ৰস্ত ৰাইজৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে সময়োপযোগী আৰু কাৰ্যকৰী ব্যৱস্থা গ্ৰহণত গুৰুত্ব আৰোপ কৰে। তদুপৰি খহনীয়া প্ৰৱল ঠাইসমূহ নিৰন্তৰ নিৰীক্ষণ কৰি থকাৰ লগতে প্ৰয়োজনীয় সুৰক্ষামূলক কাম-কাজ শীঘ্ৰেই সম্পন্ন কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। এই পৰিদৰ্শন কালত জিলা আয়ুক্তগৰাকীক কলিয়াবৰৰ আয়ুক্ত ৰাজ বৰুৱা আৰু সহকাৰী আয়ুক্ত নিলোৎপল চেতিয়াই সংগ দিয়ে।

০০০০০

কাৰ্বি আংলং জিলা প্ৰশাসন আৰু জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ উদ্যোগত আজি জালিজুৰি-জালুগুটি আৰু ডিফু ছোৱালী মহাবিদ্যালয়ত পৃথকে পৃথকে দুৰ্যোগ ব্যৱস্থাপনাৰ প্ৰস্তুতিমূলক সজাগতা কাৰ্যসূচী অনুষ্ঠিত হয়। কাৰ্যসূচীৰ জৰিয়তে যিকোনো দুৰ্যোগ বা জৰুৰীকালীন সময়ত অগ্নিনিৰ্বাপক যন্ত্ৰৰ সঠিক ব্যৱহাৰ আদিৰ বিষয়ে অৱগত কৰোৱা হয়। তদুপৰি জৰুৰীকালীন সময়ত উচ্চ স্বৰৰ সতৰ্কতামূলক শব্দ শুনিলে কেনেদৰে সজাগ হ'ব সেই বিষয়েও অৱগত কৰোৱা হয়।

০০০০০

বেংগালুৰুত অনুষ্ঠিত ২৬ সংখ্যক ৰাষ্ট্ৰীয় জুনিয়ৰ আৰু চাব-জুনিয়ৰ পেৰা সাঁতোৰ প্ৰতিযোগিতাত অসমৰ কেইবাগৰাকীও খেলুৱৈয়ে পদক জয় কৰি ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। সূৰ্য শইকীয়াই তিনিটা সোণৰ পদক লাভ কৰাৰ লগতে য়াছমিনাই দুটা সোণ আৰু এটা ৰূপৰ পদক লাভ কৰে। নাৰ্জিমা খাতুনে এটা ব্ৰঞ্জৰ পদক অৰ্জন কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই কথা সদৰি কৰি আটাইকেইগৰাকী খেলুৱৈকে অভিনন্দন জ্ঞাপন কৰে। তেওঁ লগতে ভৱিষ্যতেও ৰাজ্যখনলৈ সুনাম কঢ়িয়াই অনাৰ বাবে খেলুৱৈকেইগৰাকীক শুভকামনা জনায়।

ইপিনে, পঞ্জাবৰ জলন্ধৰত হ'বলগীয়া ৰাষ্ট্ৰীয় বক্সিং প্ৰতিযোগিতাৰ চাব জুনিয়ৰ শাখাৰ বাবে যোৰহাট জিলাৰ বক্সাৰ অভিজ্ঞান গগৈয়ে বাছনি লাভ কৰিছে। যোৰহাট জিলা বক্সিং সন্থাই খেলুৱৈগৰাকীক শুভেচ্ছা জনাইছে।

০০০০০

সমাপ্ত